**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 15-06-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি শ্ল’ভাকিয়াৰ ৰাজধানী ব্ৰাটিছলাভাত দেশখনৰ প্ৰধানমন্ত্ৰী ৰ’বাৰ্ট ফিকোৰ সৈতে আলোচনাত মিলিত হ’ব।

২। ৫২ সংখ্যক জি-ছেভেন সন্মিলন আজিৰ পৰা ফ্ৰান্সৰ এভিয়ানত অনুষ্ঠিত হ’ব।

৩। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই অহা ২১ জুনত পুনৰ অনুষ্ঠিত হ’বলগীয়া চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ প্ৰৱেশ পৰীক্ষাৰ এডমিট কাৰ্ড মুকলি কৰিছে।

৪। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইৰানে ১০৭ দিনীয়া যুদ্ধৰ অৱসান ঘটাই হৰমুজ প্ৰণালী মুকলি কৰাৰ বাবে এখন চুক্তি চূড়ান্ত কৰিছে। *আৰু*

৫। মহিলা টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰতে যোৱা নিশা বাৰ্মিংহামৰ এছবেষ্টনত অনুষ্ঠিত গ্ৰুপ-এৰ এখন খেলত পাকিস্তানক ৬৪ ৰানত পৰাস্ত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি শ্ল’ভাকিয়াৰ ৰাজধানী ব্ৰাটিছলাভাত দেশখনৰ প্ৰধানমন্ত্ৰী ৰ’বাৰ্ট ফিকোৰ সৈতে আলোচনাত মিলিত হ’ব। তেওঁ লগতে শ্ল’ভাকিয়াৰ ৰাষ্ট্ৰপতি পিটাৰ পেলেগ্ৰিনীকো সাক্ষাৎ কৰিব। ফ্ৰান্সৰ নিছ ভ্ৰমণ সামৰি শ্ৰীমোদী যোৱা নিশা দুদিনীয়া কাৰ্যসূচীৰে ব্ৰাটিছলাভাত উপস্থিত হয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে এই ভ্ৰমণে ভাৰত-শ্ল’ভাকিয়াৰ সম্পৰ্ক সুদৃঢ় কৰাৰ সুযোগ প্ৰদানৰ উপৰি দুয়োখন দেশৰ মাজত সহযোগিতাৰ নতুন খণ্ডৰ অন্বেষণত সহায় কৰিব।

উল্লেখযোগ্য যে ১৯৯৩ চনত শ্ল’ভাকিয়াই স্বাধীনতা লাভৰ পাছত এয়া হৈছে এগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথমটো শ্ল’ভাক ভ্ৰমণ। বিগত বৰ্ষৰ এপ্ৰিলত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে শ্ল’ভাকিয়া ভ্ৰমণ কৰিছিল আৰু চলিত বৰ্ষৰ ফেব্ৰুৱাৰীত দেশখনৰ ৰাষ্ট্ৰপতি পিটাৰ পেলেগ্ৰিনীয়ে কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ সন্মিলনত অংশ লোৱাৰ বাবে ভাৰতলৈ আহিছিল। এই ভ্ৰমণে শ্ল’ভাকিয়াৰ সৈতে বাণিজ্য, বিনিয়োগ, অট’মোবাইল আৰু ৰে’লৰে নিৰ্মাণকে ধৰি বিভিন্ন খণ্ডত দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ দিশত ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাকে পুনৰ নিশ্চিত কৰিব।

ooooo

৫২ সংখ্যক জি-ছেভেন সন্মিলন আজিৰ পৰা ফ্ৰান্সৰ এভিয়ানত অনুষ্ঠিত হ’ব। তিনিদিনীয়াকৈ আয়োজন কৰা এই সন্মিলনত জি-ছেভেন সদস্য ৰাষ্ট্ৰ কানাডা, ফ্ৰান্স, জাৰ্মানী, ইটালী, জাপান, ব্ৰিটেইন আৰু ইউৰোপীয় সংঘই অংশগ্ৰহণ কৰিব। এই সদস্য ৰাষ্ট্ৰসমূহৰ উপৰি ফ্ৰান্সে ভাৰত, ব্ৰাজিল, ইজিপ্ত, কেনিয়া, দক্ষিণ কোৰিয়া, কাটাৰ, ছৌদি আৰৱ, ছিৰিয়া, ইউক্ৰেইন আৰু সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰক আউটৰিচ অংশীদাৰ দেশ হিচাপে আমন্ত্ৰণ জনাইছে। ভাৰতে জি-ছেভেন সন্মিলনত অংশীদাৰী দেশ হিচাপে এইবাৰ ত্ৰয়োদশ বাৰৰ বাবে অংশগ্ৰহণ কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ এই অনুষ্ঠানত অংশ

ল'ব। জি-ছেভেন সন্মিলনত প্ৰধানমন্ত্ৰী মোদীৰ অংশগ্ৰহণে গোলকীয় ভূ-ৰাজনীতিত ভাৰতৰ গুৰুত্বপূৰ্ণ ভূমিকাকে সূচাইছে। গুৰুত্বপূৰ্ণ অৰ্থনৈতিক শক্তি, উন্নয়নশীল বিশ্বৰ মাজত কূটনৈতিক সেতু আৰু ভাৰত-প্ৰশান্ত মহাসাগৰীয় খণ্ডত কৌশলগত অংশীদাৰ হিচাপে জি-ছেভেন ৰাষ্ট্ৰগোষ্ঠীৰ বাবে ভাৰত অতি গুৰুত্বপূৰ্ণ। একে সময়তে এই সন্মিলনত ভাৰতৰ অংশগ্ৰহণে গোলকীয় দক্ষিণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন, উন্নত প্ৰযুক্তিৰ সুবিধা লাভ তথা, কৌশলগত অংশীদাৰিত্ব শক্তিশালী কৰাৰ পথ প্ৰশস্ত কৰিছে। সমগ্ৰ বিশ্বই ভূ-ৰাজনৈতিক অস্থিৰতা, অৰ্থনৈতিক অনিশ্চয়তা আৰু নতুন প্ৰযুক্তিৰ দ্ৰুত বিকাশৰ সময়ত এই সন্মিলনৰ আয়োজন কৰা হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ'ৰ সৈতে দুয়োখন দেশৰ মাজত বাণিজ্য, প্ৰযুক্তি, প্ৰতিৰক্ষাকে ধৰি বিশেষ গোলকীয় কৌশলগত মিত্ৰতা সম্প্ৰসাৰিত কৰা সন্দৰ্ভত আলোচনা কৰি কালি ফ্ৰান্সৰ নিছ ভ্ৰমণৰ সামৰণি মাৰে। এই ভ্ৰমণ উদ্ভাৱন, কৃত্ৰিম বুদ্ধিমত্তা, কৌশলগত প্ৰযুক্তি, বাণিজ্য আৰু জনসাধাৰণৰ আদান-প্ৰদানক কেন্দ্ৰ কৰি দুয়োখন দেশৰ দ্বিপাক্ষিক সম্পৰ্কৰ এক উল্লেখযোগ্য পদক্ষেপ হিচাপে চিহ্নিত হৈছে। এই ভ্ৰমণৰ গুৰুত্বপূৰ্ণ ফলাফলসমূহৰ ভিতৰত ভাৰত-ফ্ৰান্স উদ্ভাৱন ৰোডমেপ ২০৩০ গ্ৰহণ বিশেষভাৱে উল্লেখযোগ্য। ই কৃত্ৰিম বুদ্ধিমত্তা, ষ্টাৰ্টআপ, গৱেষণা, দক্ষতা আৰু উদ্ভাৱন পৰিৱেশ তন্ত্ৰৰ সহযোগিতাৰ বাবে এক পৰিকাঠামো প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

দুয়োগৰাকী নেতাই যুটীয়াভাৱে কালি ফ্ৰান্সৰ নিছত **ভাৰত ইন'ভেটছ** কাৰ্যসূচী মুকলি কৰে। এই উল্লেখযোগ্য পদক্ষেপৰ জৰিয়তে ষ্টাৰ্টআপ পৰিৱেশতন্ত্ৰ আৰু অন্বেষণ সম্প্ৰসাৰণ কৰাত ভাৰতৰ ক্ষীপ্ৰ অগ্ৰগতি প্ৰতিফলিত হৈছে। ভাৰত-ফ্ৰান্স উদ্ভাৱনী বৰ্ষৰ অধীনত আয়োজিত এই ধ্বজাবাহী কাৰ্যসূচীৰ জৰিয়তে বিশ্বৰ বিভিন্ন প্ৰান্তৰ আগশাৰীৰ প্ৰতিষ্ঠান, প্ৰযুক্তি আৰু বিনিয়োগ খণ্ডৰ কৰ্ণধাৰ তথা শতাধিক ষ্টাৰ্টআপক একেখন মঞ্চত মত-বিনিময় কৰাৰ সুযোগ দিয়া হৈছে। তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত এই অনুষ্ঠানত ১২০টা বিশেষ ষ্টাৰ্টআপ তথা আন্তৰ্জাতিক গুৰুত্ব থকা ১৩টা গুৰুত্বপূৰ্ণ প্ৰযুক্তিৰ ক্ষেত্ৰত ২০টাতকৈও অধিক উৎকৰ্ষ প্ৰতিষ্ঠান উজলি উঠে। বিশ্বৰ বিভিন্ন প্ৰান্তৰ ৩৫০টাতকৈও অধিক শীৰ্ষস্থানৰ বিনিয়োগকাৰী সংস্থাই এই অনুষ্ঠানত অংশগ্ৰহণ কৰে।

এই ভ্ৰমণৰ আন এক উল্লেখযোগ্য ফলাফল হৈছে এন এছ টি আই কানপুৰত বিমান পৰিবহণ আৰু সংশ্লিষ্ট খণ্ডৰ দক্ষতাৰ বাবে ৰাষ্ট্ৰীয় উৎকৃষ্টতা কেন্দ্ৰ স্থাপন কৰাৰ বাবে সন্মতি প্ৰদান কৰা। উদ্ভাৱন আৰু প্ৰযুক্তিৰ বাহিৰেও নেতাদ্বয়ে প্ৰতিৰক্ষা, মহাকাশ, পাৰমাণৱিক শক্তি, সংযোগ আৰু বিশ্বজনীন বিষয়সমূহত সহযোগিতাৰ পৰ্যালোচনা কৰি ভৱিষ্যমুখী অংশীদাৰিত্বৰ প্ৰতি তেওঁলোকৰ দায়বদ্ধতাক পুনৰ দৃঢ় কৰে।

ooooo

ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই অহা ২১ জুনত পুনৰ অনুষ্ঠিত হ'বলগীয়া চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ প্ৰৱেশ পৰীক্ষা, নীটৰ এডমিট কাৰ্ড মুকলি কৰিছে। পৰীক্ষাৰ্থীসকলে এন টি এ-ৰ ৱেৱছাইট neet.nta.nic.in-ৰ পৰা তেওঁলোকৰ এডমিট কাৰ্ডসমূহ ডাউনলোড কৰিব পাৰিব। ২১ জুনত দিনৰ ২ বজাৰ পৰা ৫ বাজি ১৫ মিনিটলৈ পৰীক্ষা অনুষ্ঠিত হ'ব। এন টি এই পৰীক্ষাৰ্থীসকলক এডমিট কাৰ্ড ডাউনলোডৰ পূৰ্বে ৰিফাণ্ডৰ বাবে তেওঁলোকৰ বেংক একাউণ্টৰ তথ্য পৰীক্ষা কৰিবলৈ পৰামৰ্শ দিছে।

ooooo

আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইৰানে ১০৭ দিনীয়া যুদ্ধৰ অৱসান ঘটাই হৰমুজ প্ৰণালী মুকলি কৰাৰ বাবে এখন চুক্তি চূড়ান্ত কৰিছে। আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে সামাজিক মাধ্যমৰ এটা বাৰ্তাত যোৱা নিশা এই কথা সদৰি কৰি কয়, যে আমেৰিকাই ইৰানৰ বন্দৰত নৌসেনা অৱৰোধৰ অন্ত পেলাব। ছুইজাৰলেণ্ডত অহা ১৯ জুনত শান্তি চুক্তি স্বাক্ষৰ কৰা হ'ব। এই চুক্তি আনুষ্ঠানিকভাৱে স্বাক্ষৰ কৰাৰ পাছতেই অহা শুকুৰবাৰে হৰমুজ প্ৰণালী মুকলি কৰা হ'ব বুলি ট্ৰাম্পে প্ৰকাশ কৰিছে। তেওঁ কয়, যে এই চুক্তিয়ে সমগ্ৰ মধ্যপ্ৰাচ্যলৈ শান্তি আৰু নিৰাপত্তা ঘূৰাই আনিব। এই চুক্তিৰ অধীনত ৬০ দিনৰ ভিতৰত ইৰানৰ পাৰমাণৱিক শক্তি আৰু ইয়াৰ ইউৰেনিয়াম নিষ্কাষণৰ বিষয়ে আলোচনা কৰাৰ বাবে দুয়োখন দেশক আহ্বান জনোৱা হৈছে। ইৰানৰ সৰ্বোচ্চ ৰাষ্ট্ৰীয় নিৰাপত্তা পৰিষদে জনোৱা মতে লেবাননকে ধৰি সকলো খণ্ডৰ যুদ্ধ আৰু সামৰিক অভিযান আজি নিশাৰে পৰা স্থায়ীভাৱে অন্ত পৰিব।

উল্লেখযোগ্য যে আমেৰিকা, ইজৰাইল আৰু ইৰানৰ মাজৰ সংঘৰ্ষত তেহৰানৰ কেইবাগৰাকী শীৰ্ষ নেতাই প্ৰাণ হেৰুৱায়। ইয়াৰ ভিতৰত ইৰানৰ সৰ্বোচ্চ নেতা আয়াতুল্লাহ আলী খামেনেই, সৰ্বোচ্চ ৰাষ্ট্ৰীয় নিৰাপত্তা পৰিষদৰ সচিব আলী লাৰিজানি, ইছলামিক ৰিভিলিউচানেৰী গাৰ্ড ক'ৰ্পছৰ কামাণ্ডাৰ মহম্মদ পাকপ'ৰ, প্ৰতিৰক্ষা মন্ত্ৰী আজিজ নাছিৰযাদে অন্যতম।

০০০০০

জম্মু বিমান বন্দৰত আজি যাত্ৰীৰ সুবিধা তথা জনসচেতনতা বৃদ্ধি আৰু যাত্ৰীকেন্দ্ৰিক বিভিন্ন সেৱা প্ৰদৰ্শনৰ লক্ষ্যৰে **যাত্ৰী সুবিধা দিৱস** পালন কৰা হ'ব। উল্লেখযোগ্য যে সমাগত শ্ৰীঅমৰনাথ যাত্ৰাৰ পৰিপ্ৰেক্ষিতত দেশৰ বিভিন্ন প্ৰান্তৰ পৰা অহা তীৰ্থযাত্ৰীসকলৰ বাবে এক সুবিধাজনক অভিজ্ঞতা নিশ্চিত কৰাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। তদুপৰি তীৰ্থযাত্ৰীসকলৰ সুবিধাৰ্থে হেল্প ডেস্ক, তথ্য কাউণ্টাৰ, অতিৰিক্ত কৰ্মচাৰী আৰু উন্নত যাত্ৰী ব্যৱস্থাপনাৰ সুবিধা স্থাপন কৰা হৈছে। বিমান বন্দৰ প্ৰশাসনেও যাত্ৰীসকলৰ নিৰাপত্তা ব্যৱস্থা সুদৃঢ় কৰাৰ বাবে নিৰাপত্তা সংস্থাসমূহৰ সৈতে সমন্বয় শক্তিশালী কৰিছে।

০০০০০

আমেৰিকাৰ মিছৌৰীত কালি স্কাই ডাইভিঙৰ বাবে যাত্ৰী কঢ়িয়াই নিয়া এখন বিমান দুৰ্ঘটনাত পতিত হোৱাৰ ফলত ১২ জন লোকৰ মৃত্যু হয়। মিছৌৰী হাইৱে পেট্ৰল ছাৰ্জেণ্ট জাষ্টিন ইউইঙে কয়, যে দুৰ্ঘটনাগ্ৰস্ত বিমানখন সম্পূৰ্ণৰূপে জুইয়ে আগুৰি ধৰে। কিছুসময়ৰ পাছতেই জুই নিৰ্বাপন কৰিবলৈ সক্ষম হয় যদিও এই দৃশ্য অতি হৃদয়বিদাৰক আছিল বুলি তেওঁ কয়।

০০০০০

আই চি চি মহিলা টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰতে যোৱা নিশা বাৰ্মিংহামৰ এছবেষ্টনত অনুষ্ঠিত গ্ৰুপ-এৰ এখন খেলত পাকিস্তানক ৬৪ ৰানত পৰাস্ত কৰে। পাকিস্তানে ১৭১ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৭ অভাৰতে আঠাইকেইটা উইকেট হেৰুৱাই ১০৬ ৰানহে কৰিবলৈ সমৰ্থ হয়। দিপ্তী শৰ্মাই ৫টা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে ভাৰতে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ১৭০ ৰান সংগ্ৰহ কৰে। দলৰ হৈ স্মৃতি মান্ধানাই সৰ্বাধিক ৬৮ ৰান কৰে। দিপ্তী শৰ্মাক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

প্ৰতিযোগিতাৰ কালি আন এখন খেলত বাংলাদেশে নেডাৰলেণ্ডছক ৬ উইকেটত পৰাস্ত কৰে। বাংলাদেশে নেডাৰলেণ্ডছে নিৰ্ধাৰণ কৰি দিয়া ১৩৮ ৰানৰ লক্ষ্য ১৯ অভাৰ এটা বলত ৪ উইকেটৰ

বিনিময়ত অতিক্ৰম কৰে। দলৰ হৈ সৰ্বাধিক ৫০ ৰান কৰা জুৱাইৰিয়া ফিৰড'ছক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত কাইলৈ গ্ৰুপ-বিৰ এখন খেলত নিউজিলেণ্ড শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৭ বজাত আৰম্ভ হ'ব। নিশা ১১ বজাত আৰম্ভ হ'বলগীয়া আন এখন খেলত ইংলেণ্ড আৰু আয়াৰলেণ্ড মুখামুখি হ'ব।

ইংলেণ্ড আৰু ৱেলছত অনুষ্ঠিত মাহজোৰা এই প্ৰতিযোগিতাৰ ফাইনেল অহা ৫ জুলাইত লৰ্ডছ ক্ৰিকেট গ্ৰাউণ্ডত অনুষ্ঠিত হ'ব।

ooooo

বিশ্বকাপ ফুটবলৰ কালি চতুৰ্থ দিনা গ্ৰুপ-ইৰ এখন খেলত জাৰ্মানীয়ে যোৱা নিশা প্ৰথমবাৰৰ বাবে বিশ্বকাপত অৱতীৰ্ণ হোৱা কুৰাচাওক ৭-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। ইপিনে ডালাছত অনুষ্ঠিত নেডাৰলেণ্ডছ আৰু জাপানৰ মাজৰ খেলখন ২-২ গ'লত ড্ৰ' হয়। প্ৰতিযোগিতাত আজি ভাৰতীয় সময় অনুসৰি পুৱা চাৰে  ৪ বজাত অনুষ্ঠিত আইভৰী ক'ষ্ট আৰু ইকুৱেডৰৰ মাজৰ খেলখন এটাও গ'ল নোহোৱাকৈ ড্ৰ' হয়। ক্ষন্তেক পাছতে গ্ৰুপ-এফৰ এখন খেলত ছুইডেন টিউনিছিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

সমাপ্ত